**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 22-01-2025
**Time :** 0705  Hrs

***Assamese Morning Bulletin***
***Headlines***

০০০০০

১।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দিল্লী বিধানসভা নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত দলৰ প্ৰচাৰৰ অংশ হিচাপে আজি নমো এপৰ জৰিয়তে বুথ পৰ্যায়ৰ কৰ্মীসকলৰ সৈতে মত-বিনিময় কৰিব।
২।	চৰকাৰে বেটী বচাও বেটী পঢ়াও আঁচনিৰ দশম বৰ্ষপূৰ্তি উদযাপন কৰিছে।
৩।	ওড়িশাৰ মুখ্যমন্ত্ৰী মোহন চৰণ মাঝিয়ে চত্তীশগড়ত মাওবাদী বিৰোধী অভিযানত সফলতা লাভ কৰা বিশেষ অভিযান গোট এছ অ' জিক প্ৰশংসা কৰিছে।
৪।	কলকাতাৰ ইডেন গাৰ্ডেনছত আজি ভাৰত ইংলেণ্ডৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল অনুষ্ঠিত হ'ব।

*আৰু*

৫।	ইণ্ডোনেছিয়া মাষ্টাৰ্ছ ছুপাৰ বেডমিণ্টন প্ৰতিযোগতাত ভাৰতৰ পি ভি সিন্ধুয়ে আজি ভিয়েটনামৰ টি এল নগুৱেনৰ বিৰুদ্ধে খেলিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দিল্লী বিধানসভা নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত দলৰ প্ৰচাৰৰ অংশ হিচাপে আজি নমো এপৰ জৰিয়তে বুথ পৰ্যায়ৰ কৰ্মীসকলৰ সৈতে মত-বিনিময় কৰিব। মেৰা বুথ চবচে মজবুত শ্লোগানেৰে মত-বিনিময় অনুষ্ঠান আৰম্ভ হ'ব। ৫ ফেব্ৰুৱাৰীত দিল্লী বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। নমো এপৰ ৰাষ্ট্ৰীয় সমন্বয়ক আৰু বিজেপি নেতা কুলজিৎ সিং চাহালে কয় যে আজি দিনৰ ১ বজাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দলৰ বুথ পৰ্যায়ৰ কৰ্মীসকলৰ সৈতে মত-বিনিময় কৰিব আৰু দিল্লীত বিজেপিৰ জয় নিশ্চিত কৰিবলৈ প্ৰেৰণা যোগাব। মেৰা বুথ চবচে মজবুত কাৰ্যসূচীৰ অধীনত দিল্লীৰ ২৫৬টা ৱাৰ্ডৰ মুঠ ১৩ হাজাৰ ৩৩টা বুথৰ পৰা দলীয় কৰ্মীসকলে ভাৰ্চুৱেল মাধ্যমেৰে প্ৰধানমন্ত্ৰীৰ বাৰ্তা শুনিব। কিছুসংখ্যক দলীয় কৰ্মী প্ৰধানমন্ত্ৰীগৰাকীৰে বাৰ্তালাপ কৰাৰো সুযোগ লাভ কৰিব। বিধানসভা নিৰ্বাচনৰ পূৰ্বে দিল্লীত সকলো ৰাজনৈতিক দলে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। বিজেপি দলৰ নেতাসকলে নিৰ্বাচনী প্ৰচাৰ অভিযানত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰা দেখিবলৈ পোৱা গৈছে।

০০০০০

চৰকাৰে বেটী বচাও বেটী পঢ়াও আঁচনিৰ দশম বৰ্ষপূৰ্তি উদযাপন কৰিছে। কন্যা শিশুক সুৰক্ষা, শিক্ষা প্ৰদান আৰু সবলীকৰণৰ উদ্দেশ্যেৰে আৰম্ভ কৰা এই আঁচনিয়ে ১০ বছৰ সম্পূৰ্ণ কৰিলে। মহিলা আৰু শিশু উন্নয়ন মন্ত্ৰালয়ৰ এটা সূত্ৰই জনোৱা অনুসৰি আজি নতুন দিল্লীত হ'বলগীয়া বৰ্ষপূৰ্তি অনুষ্ঠানত সশস্ত্ৰ বাহিনী, পেৰামিলিটেৰী বাহিনী আৰু দিল্লী আৰক্ষীৰ মহিলা বিষয়াসকলে অংশগ্ৰহণ কৰিব। ছাত্ৰী আৰু অংগনবাড়ী কৰ্মীসকলকো বেটী বচাও বেটী পঢ়াও আঁচনিৰ বৰ্ষপূৰ্তি অনুষ্ঠানলৈ নিমন্ত্ৰণ জনোৱা হৈছে।

মন্ত্ৰালয়ৰ সূত্ৰটোৱে লগতে কয় যে এই আঁচনিৰ দশম বৰ্ষপূৰ্তি উদযাপনৰ কাৰ্যসূচী আজিৰ পৰা ৮ মাৰ্চলৈকে চলি থাকিব। ৰাজ্য আৰু জিলা পৰ্যায়তো এই কাৰ্যসূচীৰ লগত সংগতি ৰাখি অনুৰূপ অনুষ্ঠানৰ আয়োজন কৰা হ'ব।

00000

ওড়িশাৰ মুখ্যমন্ত্ৰী মোহন চৰণ মাঝিয়ে চত্তীশগড়ত মাওবাদী বিৰোধী অভিযানত সফলতা লাভ কৰা বিশেষ অভিযান গোট এছ অ' জিক প্ৰশংসা কৰিছে। এই অভিযানত ১৪জন মাওবাদীৰ মৃত্যু হয়। বিশেষ অভিযান গোটৰ সদস্যসকলৰ বাবে এই সফলতা লাভৰ পাছতেই ৮ হাজাৰ টকাৰ পৰা ২৫ হাজাৰ টকালৈ অতিৰিক্ত ভাট্টা বৃদ্ধি কৰা হৈছে। অভিযানৰ সময়ত জোৱানসকলৰ সাহস আৰু নিষ্ঠাৰ স্বীকৃতিস্বৰূপে এই সিদ্ধান্ত লোৱা হৈছে। সামাজিক মাধ্যমৰ এটা পোষ্টত ওড়িশাৰ মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ে জানিবলৈ দিছে যে নোৱাপাৰা জিলাৰ সমীপৱৰ্ত্তী কুলাৰিঘাট অঞ্চলত যৌথ অভিযান চলোৱা হৈছিল। মুখ্যমন্ত্ৰী মোহন চৰণ মাঝিয়ে অভিযানত অংশগ্ৰহণকাৰী জোৱানসকলক অভিনন্দন জ্ঞাপন কৰিছে বুলি কাৰ্যালয়ে জানিবলৈ দিছে। ভৱিষ্যতে ওড়িশাত নক্সালবিৰোধী অভিযান অধিক তীব্ৰতৰ কৰাৰ পৰিকল্পনাৰ কথাও মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে। ওড়িশা আৰক্ষীয়ে প্ৰকাশ কৰা তথ্য অনুসৰি নিহত ১৪জন মাওবাদীৰ ভিতৰত চি পি আই মাওবাদী গোটৰ পাঁচগৰাকী মহিলা সদস্য আৰু চালাপতি নামেৰে পৰিচিত ৰামচন্দ্ৰ নামৰ এগৰাকী কেন্দ্ৰীয় সমিতিৰ সদস্যও আছিল। ওড়িশাৰ বিশেষ অভিযান গোট, চত্তীশগড় আৰক্ষী আৰু কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীয়ে এই যৌথ আন্তঃৰাজ্যিক অভিযান চলাইছিল।

00000

কেন্দ্ৰীয় পথ পৰিবহন আৰু গাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে কালি গোৱাত কেইবাটাও ঘাইপথ প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰি দেশৰ নামত উৎসৰ্গা কৰে। গোৱাত উপস্থিত হৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে এই প্ৰকল্পসমূহে ৰাজ্যখনৰ নদী, পৰ্যটন আৰু আমদানি-ৰপ্তানি খণ্ডৰ উন্নয়নত বিশেষ অৰিহণা যোগাব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে গোৱাক প্ৰদূষণমুক্ত আৰু দুৰ্ঘটনামুক্ত কৰিবলৈ গোৱা চৰকাৰক বিশেষ আহ্বান জনায়। ঘাইপথসমূহৰ কাষত গছপুলি ৰোপণৰ সুযোগ লবলৈও কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে গোৱা চৰকাৰক পৰামৰ্শ আগবঢ়ায়।

00000

উত্তৰ প্ৰদেশত চলি থকা মহাতকুম্ভ মেলাৰ মাজতে আজি প্ৰয়াগৰাজত উত্তৰ প্ৰদেশ চৰকাৰৰ এখন বিশেষ কেবিনেট বৈঠক অনুষ্ঠিত হ'ব। উত্তৰ প্ৰদেশ চৰকাৰৰ ৫৪গৰাকী মন্ত্ৰীকেই বৈঠকত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনোৱা হৈছে। মুখ্যমন্ত্ৰী যোগী আদিত্যনাথৰ অধ্যক্ষতাত আজি দুপৰীয়া অৰাইল অঞ্চলত এই বৈঠক অনুষ্ঠিত হ'ব। বৈঠকৰ অন্তত মন্ত্ৰীসকলে মটৰচালিত নাৱেৰে অৰাইল ভি আই পি ঘাটৰ পৰা সংগমলৈ যাত্ৰা কৰিব। ইয়াৰ পাছতেই মুখ্যমন্ত্ৰী আৰু কেবিনেট মন্ত্ৰীসকলে পূজা অৰ্চনা আগবঢ়োৱাৰ লগতে ত্ৰিবেণী সংগমত স্নান কৰিব।

00000

গাজাত পেলেষ্টাইনী সশস্ত্ৰ সংগঠন হামাছ আৰু ইজৰাইলৰ মাজত যুদ্ধবিৰতি আৰম্ভ হোৱাৰ পিছত এইবাৰ ম্যানমাৰত যুদ্ধবিৰতিৰ বাবে প্ৰস্তুতি চলোৱা হৈছে। দক্ষিণ-পূব এছিয়াৰ সংগঠন 'আছিয়ান'ৰ তৰফৰ পৰা এই উদ্দেশ্যে কালি মালয়েছিয়াৰ প্ৰাক্তন বিদেশ সচিব

ওথমান আছিমক 'ম্যানমাৰ বিষয়ক বিশেষ দূত' হিচাপে নিযুক্তি দিয়া হৈছে। ম্যানমাৰৰ সামৰিক চৰকাৰ আৰু সশস্ত্ৰ বিদ্ৰোহী সংগঠনসমূহৰ মাজত সংঘৰ্ষ বন্ধ কৰাৰ বাবে আছিয়ানৰ তৰফৰ পৰা আবেদন জনোৱা হৈছে। শান্তি প্ৰক্ৰিয়াৰ বাবে ইতিমধ্যে আছিয়ানে তৎপৰতা আৰম্ভ কৰা বুলি দেশখনৰ নিৰ্বাসিত গণতন্ত্ৰপন্থী চৰকাৰ 'নেচনেল ইউনিটী গৱৰ্নমেন্ট'ৰ সংবাদ মাধ্যমে সদৰী কৰিছে।

ooooo

নতুন দিল্লীৰ ভাৰত মণ্ডপমত আয়োজিত ভাৰত ম'বিলিটী গ্লোবেল এক্সপ' ২০২৫লৈ দেশৰ সকলো প্ৰান্তৰ পৰা বৃহৎ হাৰত বাহনপ্ৰেমীসকলৰ আগমন ঘটিছে। এই মেলাত বিদ্যুৎচালিত আৰু পুৰণি সংৰক্ষিত বাহনসমূহ বিশেষ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিছে। নতুন মুকলি কৰা আৰু উন্নত প্ৰযুক্তিৰ বাইক, স্কুটাৰ, তিনিচকীয়া ডেলিভাৰী বাহনেও জনসাধাৰণক আকৰ্ষণ কৰিছে। আজি মেলাৰ অন্তিম দিন।

ooooo

আমেৰিকাৰ বিদেশ মন্ত্ৰী মাৰ্কো ৰুবিঅ'ই যোৱা নিশা ৱাশ্বিংটন ডিচিত থকা আমেৰিকাৰ বিদেশ মন্ত্ৰালয়ত কোৱাড গোষ্ঠীৰ সতীৰ্থসকলক সাক্ষাৎ কৰে। বিদেশ মন্ত্ৰীসকল ক্ৰমে ভাৰতৰ ড০ এছ জয়শংকৰ, জাপানৰ তাকেছি ইৱায়া আৰু অষ্ট্ৰেলিয়াৰ পেনি ৱং এই সাক্ষাতত উপস্থিত থাকে। কোৱাড হৈছে সৰ্বাংগীন, সুস্থিৰ আৰু সমৃদ্ধিশালী ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চল গঢ়ি তুলিবলৈ প্ৰতিশ্ৰুতিবদ্ধ ভাৰত, অষ্ট্ৰেলিয়া, জাপান, আৰু আমেৰিকাৰ মাজত এক কূটনৈতিক অংশীদাৰিত্ব। ৰুবিঅ'ই কাৰ্যভাৰ গ্ৰহণৰ প্ৰথম দিনাই কোৱাডৰ বৈদেশিক মন্ত্ৰীসকলক সাক্ষাৎ কৰি আমেৰিকাৰ বিদেশ মন্ত্ৰী হিচাপে নিজৰ কামকাজ আৰম্ভ কৰে। আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ শপত গ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ কোৱাডৰ বিদেশ মন্ত্ৰীসকল ৱাশ্বিংটনত উপস্থিত হৈছে। ইয়াৰ পূৰ্বে কালি আমেৰিকাৰ উপ-ৰাষ্ট্ৰপতি জে ডি ভেন্সে মাৰ্কো ৰুবিঅ'ক বিদেশ মন্ত্ৰী হিচাপে শপত বাক্য পাঠ কৰোৱায়। ৰুবিঅই আজি কোৱাডৰ বিদেশ মন্ত্ৰীসকলৰ সৈতে এখন বৈঠকত মিলিত হব। ইয়াৰ পাছতে ৰুবিঅ আৰু বিদেশ মন্ত্ৰীসকলৰ পৃথককৈ দ্বিপাক্ষিক বৈঠক অনুষ্ঠিত হব। ভাৰতৰ বিদেশ মন্ত্ৰীৰ সৈতে ৰুবিই প্ৰথমখন বৈঠকত অংশগ্ৰহণ কৰিব।

ooooo

কলকাতাৰ ইডেন গাৰ্ডেনত আজি সন্ধিয়া অনুষ্ঠিত হ'বলগীয়া পাঁচখন টি ২০ শৃংখলাৰ প্ৰথমখন খেলত ভাৰত ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হব।অষ্ট্ৰেলিয়াত বৰ্ডাৰ-গাভাস্কাৰ ট্ৰফী শৃংখলাত পৰাজয়ৰ পিছত ভাৰতে ইংলেণ্ডৰ বিৰুদ্ধে পাঁচখন টি-২০ আৰু তিনিখন এদিনীয়া খেল খেলিব। প্ৰবীণ পেচ বলাৰ মহম্মদ শ্বামীয়ে ভাৰতীয় দললৈ দীৰ্ঘদিনৰ বিৰতিৰ পাছত এই শৃংখলাত ভাগ লব। সূৰ্য্যকুমাৰ যাদৱ নেতৃত্বাধীন

ভাৰতীয় দলটোৱে ২ ফেব্ৰুৱাৰীত মুম্বাইত চূড়ান্ত টি-২০ খেলত ভাগ লব।।টি-২০ শৃংখলাৰ পিছত ৬ ফেব্ৰুৱাৰীৰ পৰা দুয়োখন দেশৰ মাজত এদিনীয়া শৃংখলা অনুষ্ঠিত হব।

০০০০০

জাকার্টাত চলি থকা ইণ্ডোনেছিয়া মাষ্টাৰ্ছ চুপাৰ 500 বেডমিণ্টনত আজি মহিলাৰ ছিংগলছত ভাৰতৰ প্ৰবীণ শ্বাটলাৰ পি ভি সিন্ধু ভিয়েটনামৰ টি এল নগুয়েনৰ মুখামুখি হ'ব। খেলখন ভাৰতীয় সময়মতে আবেলি 8 বাজি ৪০ মিনিটত আৰম্ভ হ'ব। পুৰুষৰ ছিংগলছত কিৰণ জৰ্জে প্ৰথম ৰাউণ্ডত কোৰিয়াৰ জিয়ন হাইয়ক-জিনৰ মুখামুখি হ'ব। খেলখন আজি ৰাতিপুৱা ১০ বাজি ৪০ মিনিটত আৰম্ভ হ'ব। আনহাতে লক্ষ্য সেনে ৰাউণ্ড ৩২ ইভেণ্টত জাপানৰ টাকুমা ওবায়াচীৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া ৭ বাজি ১০ মিনিটত আৰম্ভ হ'ব। কালি প্ৰতিযোগিতাখনৰ আৰম্ভণিৰ দিনা তানিশা ক্ৰেষ্টো আৰু অশ্বিনী পোনাপ্পাৰ যুটিটোৱে মহিলাৰ ডাবলছৰ প্ৰথম ৰাউণ্ডত অৰ্নিচা জংচাথাপৰ্ণপাৰ্ণ আৰু চুকিট্টা চুৱাচাইৰ থাই যুটিটোক ২১-৬, ২১-১৪ ত পৰাস্ত কৰে। আনহাতে ভাৰতৰ তাৰকা যুটি সাত্বিক চাইৰাজ ৰঙ্কিৰেড্ডী আৰু চিৰাগ চেট্টীয়ে তেওঁলোকৰ পুৰুষৰ দ্বৈত প্ৰতিযোগিতাত টাইৱানৰ যুটি চেন ঝি ৰে আৰু লিন য়ু চিয়েহৰ বিৰুদ্ধে জয়লাভ কৰি দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰে।

০০০০০

ৰুৰকেলাৰ বিৰছা মুণ্ডা ষ্টেডিয়ামত চলি থকা হকী ইণ্ডিয়া লীগৰ এখন খেলত যোৱানিশা ইউ পি ৰুদ্ৰাছে গ'নাছিকাৰ বিৰুদ্ধে ২-০ গ'লত জয়লাভ কৰে । ইয়াৰ ফলত ইউপি ৰুদ্ৰাছে হকী ইণ্ডিয়া লীগৰ ৰেংকিঙৰ শীৰ্ষস্থান দখল কৰে। ইউপি ৰুদ্ৰাচৰ হৈ ৩৭ মিনিটত টানগায় ক'চিনছে প্ৰথম গ'লটো দিয়াৰ বিপৰীতে কেন ৰাছেলে ৪০ মিনিটত বিজয়ী গ'লটো দিয়ে।

০০০০০

সমাপ্ত